জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ২৫/২০২১**

**ধলাইস্থিত সাহিত্য মনীষী উপবন ভাৰতৰত্ন অটল বিহাৰী বাজপেয়ীৰ নামেৰে নামাকৰণ কৰিলে মুখ্যমন্ত্ৰীয়ে**

# প্ৰকৃতিক সুৰক্ষিত কৰি ৰখাটো স্বভাৱত পৰিণত কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১০ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি কাছাৰ জিলাৰ ধলাইৰ ৰামপ্ৰসাদপুৰত জৈৱ বিবিধতা উদ্যান (সাহিত্য মনীষী উপবন) শুভ উদ্বোধন কৰে। মুখ্যমন্ত্ৰীয়ে উপবনখনত বৃক্ষ ৰোপনো কৰে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে এই সাহিত্য মনীষী উপবনখন ৰাষ্ট্ৰৰ স্বপ্নদ্ৰষ্টা তথা প্ৰাক্তন প্ৰধানমন্ত্ৰী ভাৰতৰত্ন অটল বিহাৰী বাজপেয়ীৰ নামেৰে নামাকৰণ কৰাৰ কথা ঘোষণা কৰে। উপবনখনৰ সৌন্দৰ্যবৰ্দ্ধন কৰিলেহে ভূতপূৰ্ব প্ৰধানমন্ত্ৰীগৰাকীৰ আত্মাই শান্তি পাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। আধ্যাত্মিকভাৱে শক্তিশালী ভূৱন পাহাৰৰ দাতিত গঢ় লৈ উঠা এই উপবনখন সুৰক্ষিত কৰি ৰখাৰ দায়িত্ব বন বিভাগৰ লগতে স্থানীয় জনসাধাৰণেও ল'ব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই সাহিত্য মনীষী উপবনখনৰ জৰিয়তে নতুন প্ৰজন্মই প্ৰকৃতিৰ সম্পৰ্কত সম্যক উপলব্ধি কৰিবলৈ সক্ষম হ'ব। মানৱ জীৱনত প্ৰকৃতিৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিব পৰাকৈ আৰু শিশুসকলক আকৰ্ষিত কৰিব পৰাকৈ এই উপবনখন গঢ়ি তুলিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই ক্ষেত্ৰত সাংবাদিকসকলে শিশুসকলৰ মনত চেতনাবোধো জাগ্ৰত কৰিব লাগিব বুলি তেওঁ কয়। প্ৰকৃতিৰ সুৰক্ষাৰ জৰিয়তে ৰাষ্ট্ৰক অধিক আগুৱাই নিব পৰা যায় বুলি উল্লেখ কৰি বৰ্তমানৰ ৰাজ্য চৰকাৰে শাসনভাৰ গ্ৰহণ কৰিয়েই এখন প্ৰদূষণমুক্ত অসম নিৰ্মাণৰ বাবে ১০ কোটি গছপুলি ৰোপনৰ লক্ষ্য লৈ ৮.৫০ কোটি বৃক্ষ ৰোপন সম্ভৱ কৰি তুলিছে বুলি উল্লেখ কৰি তাৰ বাবে বন বিভাগক মুখ্যমন্ত্ৰীয়ে ধন্যবাদ জ্ঞাপন কৰে। বন বিভাগে লোৱা ভূমিকাৰ বাবে ২২২ বৰ্গ কিলোমিটাৰ বনাঞ্চল বৃদ্ধি পোৱাৰ লগতে বনাঞ্চলৰ জীৱ-জন্তুৰো সংখ্যা বৃদ্ধি পালে। এই কথা উল্লেখ কৰি প্ৰকৃতিক সুৰক্ষিত কৰি ৰখাটো স্বভাৱত পৰিণত কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

অনুষ্ঠানত পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, অসম বিধান সভাৰ উপাধ্যক্ষ আমিনুল হক লস্কৰ, সাংসদ ৰাজদ্বীপ ৰয়, বিধায়কসকল ক্ৰমে মিহিৰ কান্তি সোম, কিশোৰ নাথ, দিলীপ পাল, ৰাজদ্বীপ গোৱালা, অমৰ সিং জৈন, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত, বন বিভাগৰ প্ৰধান সচিব অবিনাশ যোশী, অসম আৰক্ষী গৃহ নিৰ্মাণ নিগমৰ পৰিচালন সঞ্চালক অৰবিন্দ কলিতা, দক্ষিণ অসম মণ্ডলৰ আৰক্ষী উপ-মহাপৰিদৰ্শক দিলীপ কুমাৰ দে, প্ৰধান মুখ্য বন সংৰক্ষক অমিত সাহা, উপায়ুক্ত কীৰ্তি জেল্লী, আৰক্ষী অধীক্ষক ভাঁৱৰ লাল মীনা প্ৰমুখ্যে বন বিভাগৰ উচ্চপদস্থ বিষয়া তথা গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**বীঃগঃ**
**১০/০১/২০২১**